বসন্ত বৰা* (2026). *ভূপেন হাজৰিকাৰ গীতি-ভাবনাত শঙ্কৰদেৱ. International Journal of Multidisciplinary Research & Reviews, 5(2), 86-92.*

INTERNATIONAL JOURNAL OF
MULTIDISCIPLINARY RESEARCH & REVIEWS

journal homepage: www.ijmrr.online/index.php/home

# ভূপেন হাজৰিকাৰ গীতি-ভাবনাত শঙ্কৰদেৱ

**ড০ বসন্ত বৰা***

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, নৰ্নৈ মহাবিদ্যালয়, নৰ্নৈ, নগাঁও(অসম), ভাৰত

**How to Cite the Article:** বসন্ত বৰা* (2026). *ভূপেন হাজৰিকাৰ গীতি-ভাবনাত শঙ্কৰদেৱ. International Journal of Multidisciplinary Research & Reviews, 5(2), 86-92.*

https://doi.org/10.56815/ijmrr.v5i2.2026.86-92

## 1. INTRODUCTION

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ অসমৰ জাতীয় জীৱনৰ গুৰু । তেওঁ একশৰণ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচনা কৰা বিভিন্ন গীত-পদ-নাটক আদিৰে সমসাময়িক অসমীয়া সমাজখনত গা কৰি উঠা ধৰ্মীয় গোৰামি, জাত-পাতৰ বিচাৰ, কুসংস্কাৰ, উশৃংখলতা আদি দূৰ কৰি সমন্বয়-সংহতি পূৰ্ণ এখন সমাজ গঢ়িবলৈ অহোপুৰুষাৰ্থ কৰিছিল । সেয়ে তেওঁ কীৰ্ত্তন-ঘোষাৰ শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ খণ্ডৰ ৩৮ নং পদত লিখিছিল- 'ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল /দাতাত চোৰত দৃষ্টি সমতুল //'১ । বিশ্বজনীন সদ্ভাৱনাৰে অসমীয়াৰ মনত-প্ৰাণত সংস্কাৰমুখী পৰিৱেশ ৰচনা কৰা শঙ্কৰদেৱৰ আদৰ্শবাদী চিন্তা-চেতনা তেৰাৰ শিষ্য-প্ৰশিষ্যসকলকে প্ৰমুখ্যে কৰি বৰ্তমানৰ বহু শিল্পী-সাহিত্যিকৰ ৰচনাৰাজিত বিচাৰি পোৱা যায় ।

ভূপেন হাজৰিকা অসম তথা ভাৰতৰ এজন স্বনামধন্য গীতিকাৰ । তেওঁ দৃঢ়তাৰে আধুনিক অসমীয়া গীতি-সাহিত্যক বিশ্বমুখী গতি প্ৰদান কৰিবলৈ প্ৰয়াস কৰিছিল । হাজৰিকাই স্বকীয় গীতি-চেতনাৰে সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক আদি বিষয়ৰ বহু প্ৰাসংগিক গীত ৰচনা কৰিলেও তেওঁৰ কিছু সংখ্যক গীতত প্ৰতিভাত হোৱা মহাপুৰুষ শঙ্কৰদেৱৰ আদৰ্শ আৰু তেৰাৰ প্ৰতি থকা অচলা ভক্তি মনকৰিবলগীয়া । ১৯৩৭ খ্ৰীষ্টাব্দত ১১ বছৰ বয়সত গীতিকাৰজনে ৰচনা কৰা "কুসুম্বৰ পুত্ৰ শ্ৰীশঙ্কৰ গুৰুৱে ধৰিছিল নামৰে তান" শীৰ্ষক গীতটিয়ে এই দিশৰ প্ৰমাণ । গীতটিত কুসুম্বৰ ভূঞাৰ পুত্ৰ শঙ্কৰদেৱে পৱিত্ৰ বৰদোৱা থানত হৰিনামৰ মাহাত্ম্য প্ৰচাৰ কৰি আধ্যাত্মিক আনন্দ বিলোৱা; ৰজাঘৰীয়াৰ পৰা যন্ত্ৰণা ভোগ কৰিও জনসাধাৰণৰ কল্যাণৰ বাবে সেই

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

বসন্ত বৰা* (2026). *ভূপেন হাজৰিকাৰ গীতি-ভাবনাত শঙ্কৰদেৱ. International Journal of Multidisciplinary Research & Reviews, 5(2), 86-92.*

দুখলৈ পিঠি দি অসমৰ গাঁৱে-ভূঞে নামঘৰ সাজি, ভাওনা-বৰগীতেৰে ৰাইজক একত্রিত কৰি সংহতি স্থাপন কৰা বৰ্ণনা গুৰুজনাৰ প্ৰতি থকা শ্ৰদ্ধা-ভক্তিৰে পৰিচায়ক বুলি উল্লেখ কৰিব পাৰি—

‘‘কুসুম্বৰ পুত্র শ্ৰীশঙ্কৰ গুৰুৱে
ধৰিছিল নামৰে তান,
নামৰে সুৰতে আনন্দত নাচিছিল
পৱিত্ৰ বৰদোৱা থান, মোৰ গুৰু ঐ,
পৱিত্ৰ বৰদোৱা থান।
অশেষ যাতনা ভুঞ্জিলা শ্ৰীশঙ্কৰ
ধৰমৰ নামতে তুমি
সকলো দুখলৈ পিঠি দিলা গুৰু
ধন্য অসম ভূমি মোৰ গুৰু ঐ,
ধন্য অসম ভূমি।।’’২

ভূপেন হাজৰিকাই জগত গুৰু শঙ্কৰদেৱৰ অৱদানক আধুনিক গীতৰ ভাবনাৰে ভক্তিযুক্ত ভাৱে সোঁৱৰণ কৰি তেৰাৰ অবৰ্তমানত অনুভৱ কৰা কাৰুণ্যতা পাঠক-শ্ৰোতাৰ আগত ৰসবোধৰে তুলি ধৰা গীতটিৰ প্ৰসংগত পুলিন কলিতাই “অগ্নিযুগৰ ফিৰিঙতি” গ্ৰন্থত আগবঢ়োৱা মন্তব্য এনেধৰণৰ –

- স্কুলীয়া ছাত্ৰ হৈ থাকোতে, ১৯৩৭ চনত কলম হাতত তুলি লৈয়েই তেওঁ যি লিখিলে, শংকৰদেৱৰ স্মৃতিত ৰচিত ই এটা মনোৰম কবিতা। দীৰ্ঘ পয়াৰ ছন্দৰ কবিতাটোৰ ভাবে ক'তো উজুটি খোৱা নাই, দক্ষ কবিৰ দৰে লিখি পেলাইছে তেওঁ কবিতাটো। শংকৰদেৱক শ্ৰদ্ধা নিবেদিবলৈ আমাৰ ভাষাত চৰিত পুথিকে ধৰি অসংখ্য প্ৰবন্ধ-কবিতা ৰচিত হৈছিল। কিন্তু মাত্ৰ এটা শাৰীত শংকৰদেৱৰ সৃষ্টিৰাজিৰ উল্লেখেৰে তেৰাৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিব পৰাটো কৃতিত্বৰ পৰিচায়ক-বিশেষতঃ তেতিয়া হাজৰিকাৰ বয়স আছিল দহ/এঘাৰ বছৰমানহে। বিশেষকৈ দুটা শাৰীৰ পাঠে আমাক এজন শব্দ প্ৰয়োগত সিদ্ধহস্ত, দক্ষ কবিৰ কথা মনত পেলাই দিয়ে- ‘নামঘৰ সাজিলা, ৰাইজক থাপিলা একতাৰ আসনত আনি/ভাওনা-সোণতে বৰগীত-সুৰগা প্ৰচাৰিলা দেৱবাণী।’৩

ভূপেন হাজৰিকাই ‘মহাবাহু ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ’ শীৰ্ষক গীতটিত ব্ৰহ্মপুত্ৰৰ দুপাৰৰ ঐতিহ্য বৰ্ণনা কৰিবলৈ গৈ ‘সুদূৰ কান্যকুব্জৰেপৰা বাৰভূঞা আহিছিলে/সেই বংশতে শঙ্কৰদেউ ইয়াতে জনমিলে’৪ বুলি বৰ অসমৰ খনিকৰ স্বৰূপ শংকৰদেৱৰ পূৰ্বপুৰুষৰ কথা উপস্থাপন কৰি অসম নামৰ ভূখণ্ডত প্ৰব্ৰজনৰ প্ৰাচীনতা আৰু অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত জাতি-জনগোষ্ঠীৰ অৱদান শ্ৰদ্ধাৰে স্বীকাৰ কৰিছে।

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

বসন্ত বৰা* (2026). *ভূপেন হাজৰিকাৰ গীতি-ভাৱনাত শঙ্কৰদেৱ. International Journal of Multidisciplinary Research & Reviews, 5(2), 86-92.*

শঙ্কৰদেৱৰ প্ৰসংগ উল্লেখ থকা ভূপেন হাজৰিকাৰ আন এটি গীত হ'ল– "জুই ল'ই নেখেলিবি"। ১৯৭২ খ্ৰীষ্টাব্দৰ মেঘালয় ৰাজ্য গঠন, উত্তৰ-পূব কাউন্সিল(NEC) গঠন, ভাষা আন্দোলন, প্ৰাকৃতিক দুৰ্যোগ আদি পটভূমিত ৰচনা কৰা গীতটিত 'শঙ্কৰ মাধৱৰ মহা মহা সৃষ্টিৰে উজ্জ্বল লুইতৰে পাৰ' শীৰ্ষক বাক্য শাৰীৰ জৰিয়তে গীতিকাৰে শঙ্কৰদেৱৰ উপৰি মাধৱদেৱৰ মহান অৱদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি অসম আৰু অসমীয়া জাতিক দুৰ্বল বুলি ভবা, তিৰস্কাৰ কৰিব খোজা শত্ৰুসকলক পদ্মনাথ গোহাঞিবৰুৱা, আনন্দচন্দ্ৰ আগৰৱালা, হেম বৰুৱা, ৰজনীকান্ত বৰদলৈ, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আদি মহা মহা মনীষীৰ বিৰল অৱদান আৰু জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ কথা সোঁৱৰাই সকীয়াই দিছে এইদৰে– 'এই গীত নুবুজিলে শত গীত লিখি যাম জগাই লুইতৰে পাৰ'/...সূৰ্যৰ পিনে চাই সংগ্ৰাম কৰিব'লে আমাৰো যে আছে অধিকাৰ'৫।

সেইদৰে, ভূপেন হাজৰিকাই ১৯৪৮ খ্ৰীষ্টাব্দত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ 'অকণিৰ মেল' অনুষ্ঠানৰ বাবে লেখা "অ' মোৰ চেনেহী অকণি বীৰ" গীতটিত শিশুসকলৰ মনত জাতীয় বীৰ-বীৰাংগনাৰ মহান ত্যাগ প্ৰোথিত কৰি ভৱিষ্যতে তেওঁলোকক জাতিৰ উন্নতি কল্পে আগবাঢ়িবলৈ প্ৰেৰণা দিছে। গীতিকাৰে গীতটিত উল্লেখ কৰিছে যে সমগ্ৰ ভাৰত বাসীয়ে শিশু অৱস্থাতে শংকৰদেৱে আকাৰ-ইকাৰ নোহোৱাকৈ 'কৰতল কমল কমলদল নয়ন' শীৰ্ষক কবিতা ৰচনা কৰি ভগৱান বিষ্ণুৰ গুণানুকীৰ্তন কৰাতো সহজ সাধ্য নহয়; এয়া শংকৰদেৱৰ স্বকীয় প্ৰতিভা আৰু জ্ঞান অন্বেষণৰ প্ৰতি থকা হাবিয়াসৰ বাবেহে সম্ভৱ। সেয়ে শংকৰদেৱক ন-পুৰুষৰ মাজত পৰিচয় কৰোৱা লগতে গীতিকাৰে সেয়ে দেশৰ কণমানিসকলক শংকৰদেৱৰ আৰ্হি গ্ৰহণ কৰি কোমল মনৰ ভাব প্ৰকাশক সৰু সৰু কবিতা অথবা সাহিত্য ৰচনা কৰি মান ৰাখিবলৈ উদগনি যোগাইছে —

'ভাৰতে পূজিলে শিশু শঙ্কৰক
কোমল কবিতা লিখনীৰ
তুমিও ৰচিবা এটি দুটি আখৰেৰে
সৰু ভাব অকণি মনৰ
অ' মোৰ চেনেহী অকণি বীৰ।' ৬

সংস্কৃতিৰ মহাৰ্ঘ্যৰে পৰিচিত পৰিয়ালত জন্মগ্ৰহণ কৰা অথবা অসমীয়া সাহিত্য-সংস্কৃতিৰ ধ্বজ্বাবাহক লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে বৰেণ্য ব্যক্তিৰ সান্নিধ্য লাভ কৰা ভূপেন হাজৰিকাই মৰ্মে মৰ্মে উপলব্ধি কৰিছিল যে বহু দুখ-কষ্ট বৰণ কৰিও নাটক-বৰগীত আদি ৰচনাৰে শংকৰদেৱে অসমীয়া জাতিক এটি সংস্কৃতি পূৰ্ণ জাতি ৰূপে গঢ়িবলৈ আৰু সমাজৰ অশুভ শক্তি নাশ কৰি শুভ শক্তিৰ বিজয় ধ্বনিৰে তথা মানৱীয় গুণগ্ৰাহী চিন্তাৰে সমাজক আগুৱাই নিবলৈ জীৱনপাত কৰিছিল । সেয়ে হাজৰিকাই 'নামি আহা সুন্দৰৰে সেনা শিল্পীদল' শীৰ্ষক গীতটিত শিল্পী-সাহিত্যিক সকলক শংকৰদেৱৰ সৃষ্টিৰাজি তথা কৰ্মৰাজিৰ আদৰ্শৰে সমাজৰ প্ৰতি দায়বদ্ধশীল হ'বলৈ আহ্বান জনাইছিল এনেদৰে–

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

বসন্ত বৰা* (2026). *ভূপেন হাজৰিকাৰ গীতি-ভাবনাত শঙ্কৰদেৱ. International Journal of Multidisciplinary Research & Reviews, 5(2), 86-92.*

'শঙ্কৰে যুঁজিলে সুৰৰে বৈৰী
নিশাচৰ যতমান পলালে লৰৰি
(আজি) জীৱনৰ নাটকৰ দৃশ্য দেখুওৱা
(আজি) ৰণৰ অগনি সুৰেৰে নুমোৱাঁ
নহ'লে সিহঁতে তীক্ষ্ণ নখেৰে সিহঁতে
শিশুৰ কলিজা খাব ফালি
(আজি) সমাজৰ নাটঘৰ সজোৱা পৰোৱা
সাম্যৰ ৰহণ ঢালি
শান্তিৰ ৰহণ ঢালি।
বাধা যদি নিদিয়া পিশাচী এন্ধাৰক
ধৰা হ'ব ৰণেৰে ৰাঙলি।' ৭

ভূপেন হাজৰিকাই গীতটিৰ যোগেদি জনাব খুজিছে যে—

- "সমাজখন সুন্দৰ কৰাত শিল্পী সাহিত্যিকৰ আছে গুৰু দায়িত্ব। তেওঁলোক অকল কল্পনা বিলাসতে মছগুল নহৈ বাস্তৱ পৃথিবীখনলৈ ওলাই আহক সুন্দৰৰ সেনানীহৈ। তেওঁলোকে আৰ্টক অস্ত্ৰৰূপে লৈ কুসংস্কাৰ, অপসংস্কৃতি, শোষণ, দমন ইত্যাদি পিশাচী এন্ধাৰক বাধা নিদিলে নিশ্চিত ভাবে এই পৃথিবী এদিন তেজেৰে ৰাঙলী হ'ব। উদাহৰণ স্বৰূপে, সুন্দৰৰ পূজাৰী মহাপুৰুষ শ্ৰীশঙ্কৰদেৱেও সুৰৰ বৈৰী নিশাচৰ সবক পৰাস্ত কৰি জগত সুন্দৰ কৰে। তেওঁৰ অনুকৰণতে আজিৰ শিল্পী সকলেও সুন্দৰৰ সাধনাৰে হিংসা-হত্যা, লুণ্ঠণ-অপহৰণ, ৰক্তপাত প্ৰতিৰোধ কৰি ঐক্য-শান্তি-সম্প্ৰীতি-ভাতৃত্ববোধ সম্পন্ন এখন সুন্দৰ সমাজ গঢ়ি তোলক।"৮

ভূপেন হাজৰিকাই ১৯৯৮ খ্ৰীষ্টাব্দত শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰ সম্পৰ্কে 'পাৰ ভাঙি দিলে শ্ৰীমন্ত শঙ্কৰে' শীৰ্ষক এটি দীঘলীয়া প্ৰশস্তিসূচক গীত ৰচনা কৰিছিল। গীতটিত হাজৰিকাই শংকৰদেৱৰ সমাজ গঠনৰ মনোভাব, মানৱতাবাদ, জাতি-জনগোষ্ঠীৰ প্ৰতি সমভাব, প্ৰেমময় অমিয়া ভকতিৰ শক্তি, বৰ্ণময় সাংস্কৃতিক অৱদানৰ কথা উল্লেখ কৰি গুণ-গান গাইছিল। হাজৰিকাই জনাব খুজিছিল যে শংকৰদেৱে যি দৰে অসমীয়া জাতিক প্ৰাণ সঞ্জীৱনী মন্ত্ৰ দান কৰি জীয়াই তুলিছিল, সেইদৰে শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰইও অসমৰ মান-সন্মান তুলি ধৰিব তথা অসমীয়া জাতিক একতাৰ এনাজৰীৰে বান্ধি ৰাখিব—

'শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰ
যাউতিযুগীয়া ৰূপতীৰ্থ
শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰ
এক অনেকৰ প্ৰীতি-তীৰ্থ

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

বসন্ত বৰা* (2026). *ভূপেন হাজৰিকাৰ গীতি-ভাবনাত শঙ্কৰদেৱ. International Journal of Multidisciplinary Research & Reviews, 5(2), 86-92.*

শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰ
বৈয়ে যায় মাজেদি ব্ৰহ্মপুত্ৰ ।
— —- — –
স্পৃশ্য-অস্পৃশ্যৰ ভেদাভেদ
নেমানি
সুন্দৰ সেনানী গঢ়ি
দুষ্কৃতি নাশিলে শ্ৰীমন্ত শঙ্কৰে
বান্ধি লৈ একতাৰ জৰী।।'৯

তদুপৰি, ভূপেন হাজৰিকাই 'ৰাইজ আজি ভাৱৰীয়া' গীতত 'ৰাইজ আজি ভাৱৰীয়া দেশেই নাটঘৰ কোনে কি ভাও ল'বা, আহা সময় যে তাকৰ' ভাবনাৰে সমসাময়িক ব্যংগ; 'আজি ঈদ মজলিছত' গীতত 'শংকৰে ইছলামকো সন্মান যাঁচিছে' বাণীৰে সমন্বয়ৰ বাৰ্তা আৰু 'জিলিকাব লুইতৰে পাৰ' গীতত 'সাঁচিপাতে ভাষা দিব চিফুঙে আশা দিব' আদি বাক্যৰে গুৰুজনাৰ আদৰ্শ অথবা শংকৰদেৱৰ চৰ্চাক কেৱল নামঘৰ মুখী নকৰি বাস্তৱবাদী, সময় আৰু সমাজমুখী কৰা প্ৰয়াসক স্ব-মহত্ত্বৰে উজ্বলাই তুলিছে বুলি অভিহিত কৰিব পাৰি । কাৰণ, ভূপেন হাজৰিকাই শংকৰদেৱক কেৱল ধৰ্মীয় গুৰুৰ মাজতে সীমাবদ্ধ নাৰাখি তেওঁক অসমীয়া জাতিৰ জনক বুলি অভিহিত কৰিব বিচাৰিছিল । ভদ্ৰকৃষ্ণ গোস্বামীৰ মতে-- "শ্ৰীমন্ত শংকৰ মহাপুৰুষৰ জীৱন কৰ্মৰাজি শিল্পসম্মত শক্তিশালী ভাবনা, মানৱীয় দৃষ্টিভঙ্গী, একাগ্ৰতাবোধ আৰু সৃষ্টি কৰ্মৰ বিষয়ত হাজৰিকাৰ অদম্য আৰু অবিস্মিত শ্ৰদ্ধাৰ কথা নকৈ নোৱাৰি । তেওঁ অনুভৱ কৰিছিল মহাপুৰুষজনাক ভালকৈ বুজি পালেহে তেওঁৰ কৰ্মৰাজিক বিশ্ব দৰবাৰলৈ আগুৱাই লৈ যাব পাৰি আৰু নিজকো মহাপুৰুষ জনাৰ সৃষ্টি কৰ্মৰ আৰ্হিৰে বিশ্বদৰবাৰলৈ আগুৱাই নিব পৰা হ'ব।"১০

এইদৰে আলোচনা কৰিলে দেখা যায়, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ মানৱতাবাদী দৰ্শন, সাম্যবাদী আৰু প্ৰগতিশীল ধ্যান-ধাৰণা, সমাজ-সংস্কাৰমূলক কৰ্মৰাজি, সমাজ সংগঠিত যুগজয়ী চেতনাৰ প্ৰতি ভূপেন হাজৰিকা বাৰুকৈয়ে প্ৰভাৱিত হৈছিল । তদুপৰি, বৈষ্ণৱ আদৰ্শনিষ্ঠ পৰিয়ালত জন্মগ্ৰহণ কৰি ডাঙৰ-দীঘল হোৱা ভূপেন হাজৰিকাই অনুধাবন কৰিছিল শংকৰদেৱৰ মানৱ কল্যাণমূলক বিশ্বজনীন ভাবনাক সময়োপযোগীকৈ তুলি ধৰাতো একান্ত প্ৰয়োজন । সেয়ে উল্লেখ ক'ব পাৰি —'শঙ্কৰদেৱৰ ভাবনাক ভূপেন হাজৰিকাই গীতত সজ্ঞানে প্ৰয়োগ কৰি একবিংশ শতিকালৈ বোৱাই আনিলে। তাৰ ভেটিতে ভাঙোনমুখী অসমীয়া জাতিক পুনৰ্নিৰ্মাণ কৰি আন্তৰ্জাতিক ব্যাপ্তি দিলে।'১১ গতিকে ভূপেন হাজৰিকাৰ শংকৰদেৱ বিষয়ক গীত শ্ৰেণী অসমীয়া জাতিৰ ভৱিষ্যতৰ বাবে অতি প্ৰাসংগিক হৈ থাকিব ।

**তথ্য সূত্ৰ :**

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

বসন্ত বৰা* (2026). *ভূপেন হাজৰিকাৰ গীতি-ভাবনাত শঙ্কৰদেৱ. International Journal of Multidisciplinary Research & Reviews, 5(2), 86-92.*

১. শঙ্কৰদেৱ: কীৰ্ত্তন-ঘোষা, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ খণ্ড,পৃ. ৪৪২
২. পাঠক, তৰণী আৰু মনোমতী পাঠক ডাকুৱা : ডঃ ভূপেন হাজৰিকাৰ গীত সমগ্ৰৰ চমু বিশ্লেষণ,পৃ. ১
৩. কলিতা, পুলিন : অগ্নিযুগৰ ফিৰিঙতি,পৃ. ৩৮
৪. পাঠক, তৰণী আৰু মনোমতী পাঠক ডাকুৱা : পূৰ্ব উল্লিখিত গ্ৰন্থ,পৃ. ৩২১
৫. উল্লিখিত গ্ৰন্থ, পৃ. ২০০
৬. উল্লিখিত, পৃ. ১৩
৭. উল্লিখিত, পৃ. ৩০
৮. ঐ
৯. উল্লিখিত, পৃ. ৪১৮
১০. গোস্বামী, ভদ্ৰকৃষ্ণ : সত্ৰ মহাসভাৰ শ্ৰেষ্ঠতম বঁটা "সংগীত চূড়ামণি"; [মহন্ত, ঈশ্বৰ আৰু ভাৰতী বৰুৱা মহন্ত (সংক.): ভিন্ন জনমানসত ভূপেন হাজৰিকা ]পৃ.২
১১. মালাকাৰ, ড০ বিপুল আৰু নিৰ্মালি বৰা 'ভূপেন হাজৰিকাৰ শঙ্কৰদেৱ চৰ্চা'[ডেকা, উমেশ(সম্পা.): দৃষ্টিৰ ব্যাপ্তিৰে ড০ ভূপেন হাজৰিকা,], পৃ. ৭০

## গ্ৰন্থ পঞ্জী :

### ক) সহায়ক গ্ৰন্থ :

[1] কলিতা, পুলিন : অগ্নিযুগৰ ফিৰিঙতি, বনলতা, পাণবজাৰ, গুৱাহাটী-নৱেম্বৰ, ২০০৭

[2] গোস্বামী, যতীন্দ্ৰনাথ : শ্ৰীশ্ৰীশঙ্কৰদেৱ বিৰচিত কীৰ্ত্তন-ঘোষা আৰু শ্ৰীশ্ৰীমাধৱদেৱ বিৰচিত নাম-ঘোষা; জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-৭৮১০০১, ষষ্ঠদশ প্ৰকাশ, ২০২০

[3] ডেকা, উমেশ(সম্পা.) : দৃষ্টিৰ ব্যাপ্তিৰে ড০ ভূপেন হাজৰিকা, চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী-১ , প্ৰথম প্ৰকাশ: মে' , ২০১৫

[4] দত্ত,দিলীপ কুমাৰ : ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ ; বনলতা, পাণবজাৰ, গুৱাহাটী-১, দ্বিতীয় সংস্কৰণ (বনলতা), ২০১১

[5] নেওগ, মহেশ্বৰ (সম্পা.): কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষা, মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ বিৰচিত, লয়াৰ্ছ বুকষ্টল, ১৯৬২

[6] পাঠক, তৰণী আৰু মনোমতী পাঠক ডাকুৱা : ডঃ ভূপেন হাজৰিকাৰ গীত সমগ্ৰৰ চমু বিশ্লেষণ ,আইকন প্ৰকাশনৰ হৈ ৰাধা বৰাৰ দ্বাৰা প্ৰকাশিত, ৰাধা গোবিন্দ বৰুৱা পথ, গুৱাহাটী-৩, প্ৰথম প্ৰকাশ, ২০০৯

[7] বৰা,প্ৰফুল্ল চন্দ্ৰঃ আধুনিক অসমীয়া সাহিত্যত শঙ্কৰদেৱ প্ৰসঙ্গ, স্টুডেণ্টছ্ ষ্ট'ৰছ্, গুৱাহাটী, ১৯৮৮

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

বসন্ত বৰা* (2026). *ভূপেন হাজৰিকাৰ গীতি-ভাবনাত শঙ্কৰদেৱ.* *International Journal of Multidisciplinary Research & Reviews, 5(2), 86-92.*

**[8]** মহন্ত, ঈশ্বৰ আৰু ভাৰতী বৰুৱা মহন্ত (সংক.): ভিন্ন জনমানসত ভূপেন হাজৰিকা, মানস দেৱ চৌধুৰী-প্ৰকাশিকা, পাণবজাৰ, গুৱাহাটী-৭৮১০০১, প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০১১

**[9]** মহন্ত, বাপচন্দ্ৰঃ গানৰ পৰম্পৰাত বৰগীত, বনলতা, ২০০৬

**[10]** হাজৰিকা,সূৰ্য্য (সম্পা.): ড০ ভূপেন হাজৰিকাৰ গীত সমগ্ৰ গীতাৱলী; এছ. এইচ. শৈক্ষিক ন্যাস, চন্দ্ৰ কান্ত হাজৰিকা পথ, তৰুণ নগৰ, গুৱাহাটী-৫,দ্বিতীয় সংশোধিত আৰু পৰিবৰ্দ্ধিত সংস্কৰণ,২০০৮

**[11]** __________(অনু.লে.) : মই এটি যাযাবাৰ (ড০ ভূপেন হাজৰিকাৰ অনুলিখিত আত্মজীৱনী);এছ. এইচ. শৈক্ষিক ন্যাস, চন্দ্ৰকান্ত হাজৰিকা পথ, তৰুণ নগৰ, গুৱাহাটী-৫,দ্বিতীয় সংশোধিত আৰু পৰিবৰ্দ্ধিত সংস্কৰণ,২০০৮

**[12]** —-----------------(সম্পা.): ভূপেন হাজৰিকা ৰচনাৱলী, প্ৰথম খণ্ড, এছ, এইছ, শৈক্ষিক ন্যাস, গুৱাহাটী, ২০০৮

**খ) বাতৰি কাকত :**

**[13]** ভূঞা, অজিত(সম্পা.) : অসমীয়া প্ৰতিদিন কাকত, জয়ন্ত বৰুৱা(স্বত্বাধিকাৰী),প্ৰকাশক-সাদিন-প্ৰতিদিন গোষ্ঠী, গুৱাহাটী, ১১ নৱেম্বৰ, ২০১১

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License